জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ২১৪/২০২১

# ক'ভিড যুঁজত উৎসৰ্গিত মনোভাবেৰে সেৱা আগবঢ়োৱা গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ তিনিগৰাকী এএনএম নাৰ্ছক সম্বৰ্দ্ধনা জনালে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ১৫ আগষ্ট ঃ** দেশৰ ৭৫ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি মহানগৰীৰ ১০ মাইলৰ আদৰ্শ নগৰবাসী এএনএম নাৰ্ছ ডেইজি দাসৰ গৃহলৈ গৈ ক'ভিড টীকাকৰণ অভিযানত উৎসৰ্গিত মনোভাৱ আৰু দায়বদ্ধতাৰে সেৱা আগবঢ়াই দৃষ্টান্তমূলক নিদৰ্শন দাঙি ধৰাৰ বাবে তেখেতৰ লগতে এএনএম নাৰ্ছ গৰিমা দাস আৰু জোনাকী দৈমাৰীক সম্বৰ্ধনা জনায়।

উল্লেখ্য যে এই তিনিওগৰাকী এএনএম নাৰ্ছে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত টীকাকৰণ অভিযানৰ সময়ত অতি নিষ্ঠাৰে সেৱা আগবঢ়াই আহিছে য'ত এতিয়লৈকে মুঠ ৬৮৩৪৩ টা টীকা প্ৰদান কৰা হৈছে।

ইয়াৰ পিছত সংবাদ মাধ্যমৰ সৈতে বাৰ্তালাপ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই এএনএম নাৰ্ছ কেইগৰাকীয়ে সমৰ্পিত মনোভাবেৰে টীকা প্ৰদান কৰি উৎকৃষ্ট নিদৰ্শন দেখুৱাইছে। ক'ভিড অতিমাৰীৰ বিৰুদ্ধে চলোৱা যুঁজৰ সময়ত ৰাজ্যখনৰ এনেধৰণৰ ক'ভিড যোদ্ধাসকলে আগবঢ়োৱা অৰিহণাক স্বীকৃতি আৰু সন্মান প্ৰদৰ্শনৰ বাবে আজি তেখেতসকলক সম্বৰ্দ্ধনা জ্ঞাপন কৰা হৈছে। তেওঁ আশা প্ৰকাশ কৰি কয় যে অহা ২০ আগষ্টৰ ভিতৰত ১.৫ কোটি টীকা প্ৰদানৰ যি লক্ষ্য লোৱা হৈছে সেই লক্ষ্যত উপনিত হ'ব পৰা যাব।

আজিৰ এই সম্বৰ্দ্ধনা প্ৰদানৰ সময়ত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ অধ্যক্ষ ড° অচ্যুত চন্দ্ৰ বৈশ্য, অধীক্ষক ড° অভিজিত শৰ্মা উপস্থিত থাকে।

**স্বাক্ষৰ / পুঃডেঃ**
**১৫/০৮/২০২১**